**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 21**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

:::::::::::::::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ওড়িশা ভ্ৰমণ কৰিব।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে নতুন দিল্লীত অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে আয়োজিত এখন সভাত ভাষণ দিব।

৩। ভাৰতে শীতলীকৰণ কাৰ্য পৰিকল্পনা ৰূপায়ণৰ জৰিয়তে বহনক্ষম শীতলতা আৰু জলবায়ু স্থিতিস্থাপকতাৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে মন্তব্য কৰে।

৪। পশ্চিমবংগত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাই ইণ্ডিয়ানছে গুজৰাট টাইটানছক ৯৯ ৰানত পৰাস্ত কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ওড়িশা ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত এখন জনসভাত উপস্থিত থাকি ৰাষ্ট্ৰপতিগৰাকীয়ে এটা তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ তথা নিৰ্মল মুণ্ডা পৰিবেশ পথৰ উদ্বোধন কৰিব। ইয়াৰ লগতে ৰাষ্ট্ৰপতিগৰাকীয়ে ৰুৰকেলাত  এটা জনজাতীয় সংগ্ৰহালয়ৰ লগতে সংহত আদেশ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ এটাও মুকলি কৰিব।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে আয়োজিত এখন সভাত ভাষণ দিব। এই অনুষ্ঠানটো কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰিব। এই বছৰৰ এই দিৱসৰ মূল বিষয় হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং, লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানেও এই সভাত বক্তৃতা দিব। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ে কয়, যে আজিৰ দিনটোত প্ৰতি বছৰে দেশজুৰি অসামৰিক সেৱা দিৱস পালন কৰি অহা হৈছে। অসামৰিক সেৱাত নিয়োজিত কৰ্মচাৰীসকলে দেশৰ

নাগৰিকসকলক যাতে সৰ্বোত্তম সেৱা আগবঢ়ায় আৰু নাগৰিকসকলৰ সেৱাৰ প্ৰতি তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাক সোঁৱৰাই দিবলৈ প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে।

০০০০

ভাৰতে শীতলীকৰণ কাৰ্য পৰিকল্পনা ৰূপায়ণৰ জৰিয়তে বহনক্ষম শীতলতা আৰু জলবায়ু স্থিতিস্থাপকতাৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে মন্তব্য কৰে। কালি নতুন দিল্লীত অনুষ্ঠিত গোলকীয় তাপ আৰু শীতলতা ফ'ৰামত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে ইতিমধ্যে দেশৰ ২৫০ খন চহৰত শীতলীকৰণ কাৰ্য পৰিকল্পনা ৰূপায়ণ কৰিছে। গোলকীয় উষ্ণতাই স্বাস্থ্য, পৰিৱেশ আৰু অৰ্থনীতিৰ প্ৰতি বিশ্বজুৰি সৃষ্টি কৰা ভাবুকিৰ কথা উল্লেখ কৰি মন্ত্ৰী ড০ সিঙে কয়, যে ক্ৰমবৰ্ধিত উষ্ণতা কেৱল পৰিৱেশগত বিষয় হৈ থকা নাই বৰং ই স্বাস্থ্য সংক্ৰান্তীয় বিশেষকৈ সংক্ৰামক আৰু অসংক্ৰামক দুয়োবিধ বেমাৰেই ব্যাপক হাৰত বৃদ্ধি কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ক্ৰমবৰ্ধিত উষ্ণতাই ডেংগিকে ধৰি হৃদযন্ত্ৰজনিত বিভিন্ন ৰোগ সৃষ্টি কৰি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে গোলকীয় উষ্ণতা ৰোধৰ বাবে কাৰ্যকৰী আৰু তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা উচিত।

০০০০

পশ্চিমবংগত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৰেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে।

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলিগুৰি, পশ্চিম বৰ্ধমান, পশ্চিম মেডিনিপুৰ আৰু পূব মেডিনিপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইফালে তৃণমূল কংগেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি পূব মেডিনিপুৰ, বাৰাকপোৰ, ছৌবিবশ পৰগনা জিলাৰ জগতদল আৰু কলকাতাৰ জোৰাসাকো দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিব। আজিৰ সভাত আন্যান্য বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে দৃঢ়তাৰে কয়, যে পশ্চিমবংগত মুক্ত, নিকা আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন পৰিচালনাৰ সৈতে জড়িত বিষয়া, কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয়, যে নিৰ্বাচন হিংসা তথা ভয় মুক্ত হোৱাটো নিশ্চিত কৰিছে।

বিষয়াসকলে কয়, যে নিৰ্বাচন কৰ্তৃপক্ষই নিৰ্বাচন প্ৰৰোচনা মুক্ত আৰু শান্তিপূৰ্ণ হোৱাটোও নিশ্চিত কৰিব। তেওঁলোকে কয়, যে ৰাজ্য চৰকাৰ, স্থানীয় সংস্থা বা স্বায়ত্ব শাসিত সংস্থাৰ কোনো কৰ্মচাৰীয়ে নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব নোৱাৰিব। উল্লেখযোগ্য যে পশ্চিমবংগত অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ মে'ত ভোট গণনা কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাৰ বাবে ৰাজস্থানৰ এইছ্ আৰ আৰ এল শোধনাগাৰৰ অপৰিশোধিত তেল ইউনিট উদ্বোধনীৰ অনুষ্ঠান বাতিল কৰে। এই অগ্নিকাণ্ডৰ ঘটনাটো শোধনাগাৰৰ সমীপত সংঘটিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ে কয়, যে জুই নিয়ন্ত্ৰণ কৰা হৈছে আৰু এই ঘটনাত কোনো লোক হতাহতৰ খবৰ লাভ কৰা নাই। ঘটনাৰ তদন্তৰ বাবে মন্ত্ৰালয়ে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি দিছে। বিশেষজ্ঞ ব্যক্তিৰে গঠিত এই সমিতিখনে অগ্নিকাণ্ডৰ ঘটনাৰ কাৰণ বিশ্লেষণ কৰাৰ লগতে ইয়াৰ সমাধানৰ বাবে তাৎক্ষণিক আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০

সমগ্ৰ দেশতে ঘৰুৱা ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে। পশ্চিম এছিয়াত অব্যাহত থকা পৰিস্থিতিৰ মাজতে দেশৰ ৰন্ধন গেছৰ বিতৰকসকলে সুকলমে ৰন্ধন গেছৰ বিতৰণ অব্যাহত ৰাখিছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ আগত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে চৰকাৰে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বিতৰণ প্ৰমাণিকৰণ কোডৰ সহায়ত চৰকাৰে ৯২ শতাংশ ঘৰুৱা ৰন্ধন গেছৰ বিতৰণ কৰিছে। তেওঁ কয় যে বাণিজ্যিক ৰন্ধন গেছৰ বিতৰণো ৭০ শতাংশলৈ বৃদ্ধি হৈছে।

বন্দৰ আৰু জাহাজ দপ্তৰৰ সঞ্চালক মনদীপ সিং ৰানধাৱাই জানিবলৈ দিছে যে ভাৰতীয় পতাকা বহন কৰা ৯৭ হাজাৰ মেট্ৰিকটন খাৰুৱা তেল কঢ়িয়াই অনা **দেশ গৰিমা** নামৰ তেল পৰিবাহী জাহাজখনে ইতিমধ্যে হৰমুজ প্ৰণালী সুকলমে অতিক্ৰম কৰে। ভাৰতৰ আন দুখন জাহাজো হৰমুজ প্ৰণালীৰে সুকলমে অতিক্ৰম কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত পাৰচ্যৰ অতিৰিক্ত সচিব এ আৰ মহাজনে কয় যে পাৰচ্য আৰু পশ্চিম এছিয়া অঞ্চলত থকা ভাৰতীয়সকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা উপদেষ্টা অজিত দোভালে পৰহি চৌদি আৰৱ ভ্ৰমণ কৰে। তেওঁ দেশখনৰ প্ৰতিৰক্ষা উপদেষ্টা আৰু শক্তি তথা বৈদেশিক মন্ত্ৰীৰ সৈতে অঞ্চলটোৰ শান্তি আৰু দ্বিপাক্ষিক সম্বন্ধৰ বিষয়ে আলোচনা কৰে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত যুদ্ধবিৰতিৰ অনিশ্চয়তাৰ মাজতে ব্ৰিটেইনে কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৰমুজ প্ৰণালীৰে কোনো ধৰণৰ কৰ পৰিশোধ নকৰাকৈ জাহাজৰ আহ-যাহ সূচল কৰিবলৈ আহ্বান জনাইছে। ইংলেণ্ডৰ বৈদেশিক মন্ত্ৰী উভেট কুপাৰে কয় যে কোনো ধৰণৰ বাধাৰ সন্মুখীন নোহোৱাকৈ তেল পৰিবাহী জাহাজ চলাচল সুনিশ্চিত কৰাৰ প্ৰয়াস চলাই থকা হৈছে। যোগান শৃংখলাৰ প্ৰয়োজনীয় সুৰক্ষাৰ বাবে আৰু  বাধাগ্ৰস্ত নোহোৱাকৈ শক্তিৰ আদান প্ৰদান নিশ্চয়তাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আইনৰ ক্ষেত্ৰত গোলকীয় প্ৰয়াসৰ প্ৰয়োজন।

০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে অহা দুদিনলৈ চণ্ডিগড়, দিল্লী, হাৰিয়ানা, পূব ৰাজস্থান, উত্তৰ প্ৰদেশ, চত্তিশগড়, ঝাৰখণ্ড, গংগেটিক, পশ্চিমবংগ, পঞ্জাব আৰু বিদৰ্ভৰ ওপৰত গ্ৰীষ্মপ্ৰবাহ অব্যাহত থাকিব বুলি আগজাননী দিছে। বতৰ বিজ্ঞান সংস্থাই আজি অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণ হ'ব

বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি অহা দুদিনলৈ উপকূলীয় অন্ধ্ৰপ্ৰদেশ, গংগেটিক, পশ্চিমবংগ, কেৰালা, মাহে, তামিলনাডু, পুডুচেৰী আৰু কাৰাইকালত গ্ৰীষ্ম আৰু আৰ্দ্ৰ বতৰ অব্যাহত থাকিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট টাইটানছক ৯৯ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি মুম্বাই ইণ্ডিয়ানছে পাঁচটা উইকেটৰ বিনিময়ত ১৯৯ সংগ্ৰহ কৰে। ৪৫ টা বলত তিলক বাৰ্মাই অপাৰিজত ১০০ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ১৫ অভাৰ ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০০ ৰান কৰিবলৈহে সমৰ্থ হয়। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ